দেশ

‘মোৰ বুকুৰ ওপৰেৰে বুলড’জাৰ চলাই দেখুৱাওক’, বিজেপিক প্রত্যাহ্বান মমতা বেনার্জীৰ

অভিষেক বেনার্জীৰ বাসগৃহত বিজেপি সমর্থিত লোকৰ আক্রমণৰ অভিযোগ উত্থাপন কৰি বিজেপিক প্রত্যাহ্বান জনাইছে মমতা বেনার্জীয়ে।

প্রকাশ: ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৪



(Social media)

কলকাতা, ৭ নৱেম্বৰঃ তৃণমূল কংগ্রেছৰ সাংসদ অভিষেক বেনার্জীৰ বাসগৃহত আক্রমণৰ অভিযোগক কেন্দ্র কৰি পশ্চিমবংগৰ ৰাজনীতিত নতুনকৈ উত্তেজনাৰ সৃষ্টি হৈছে। এই ঘটনাক লৈ বিজেপিক তীব্র প্রত্যাহ্বান জনাইছে ৰাজ্যখনৰ প্রাক্তন মুখ্যমন্ত্রী তথা তৃণমূল কংগ্রেছৰ নেত্রী মমতা বেনার্জীয়ে। একে সময়তে কলকাতাৰ কালিঘাটত কালীপূজাৰ আয়োজনত বাধা দিয়াৰো অভিযোগ উত্থাপন কৰিছে তেওঁ।

অভিষেক বেনার্জীৰ বাসগৃহ পৰিদর্শন কৰাৰ পাছত সংবাদ মাধ্যমৰ আগত মমতা বেনার্জীয়ে কয়, “আপোনালোকৰ কিমানখন বুলড’জাৰ আছে? আহক, মই আপোনালোকৰ সন্মুখতে থিয় হৈ আছোঁ। মোৰ শৰীৰৰ ওপৰেৰে, বুকুৰ ওপৰেৰে বুলড’জাৰ চলাই দেখুৱাওক।” বিজেপিক উদ্দেশ্যি তেওঁ এই মন্তব্য কৰে।

অভিষেক বেনার্জীয়ে অভিযোগ কৰা মতে, শনিবাৰে পুৱতি নিশা প্রায় ২ বজাত কালিঘাট ৰোডত থকা তেওঁৰ বাসগৃহত বিজেপি সমর্থিত দুষ্কৃতিকাৰীয়ে আক্রমণ চলায়। এই ঘটনাক জীৱনৰ প্রতি ভাবুকি বুলি অভিহিত কৰি

অভিষেকে দাবী কৰে যে বিগত ছমাহত তেওঁৰ ওপৰত এয়া সপ্তমটো আক্রমণৰ চেষ্টা।

ইফালে, কালিঘাটত দীর্ঘদিন ধৰি অনুষ্ঠিত হৈ অহা কেইবাখনো কালীপূজাৰ অনুমতি বাতিল কৰা হৈছে বুলি অভিযোগ কৰে মমতা বেনার্জীয়ে। বিপৰীতে, নতুনকৈ আয়োজন কৰা এখন পূজাক মূল পথত অনুষ্ঠিত কৰাৰ অনুমতি দিয়া হৈছে বুলিও তেওঁ দাবী কৰে। স্থানীয় ক্লাবসমূহকো নিজৰ কার্যকলাপ চলোৱাত বাধা দিয়াৰ অভিযোগ উত্থাপন কৰি কালীপূজা আৰু দীপাৱলীৰ পূর্বে উৎসৱ উদযাপনত এনে বাধাৰ কাৰণক লৈ প্রশ্ন তোলে মমতাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1072/mamata-challenges-bjp-after-abhishek-home-attack-claim